**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিটিআৰৰ পথ আন্তঃগাঁথনি উন্নয়নৰ বাবে চলিত বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰৰ এহেজাৰ কোটি টকা আৱণ্টনৰ ঘোষণা।

২। অসমত চলি থকা উচ্ছেদ অভিযানৰ নায্যতা পৰীক্ষা কৰিবলৈ বিশেষ সমিতি গঠন কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ ৰাজ্য চৰকাৰক নিৰ্দেশ।

৩। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে বাছনি লাভ কৰা এহেজাৰ ৬৯৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কাৰ্যসূচী।

৪। আজিৰে পৰা ৰাজ্যৰ ৮২১টা কেন্দ্ৰত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা। মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দক্ষিণ আফ্ৰিকা আফগানিস্তাৰ, অষ্ট্ৰেলিয়া আয়াৰলেণ্ডৰ আৰু ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

বি টি আৰৰ সৰ্বাংগীন উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে চলিত বিত্তীয় বৰ্ষত এহেজাৰ কোটি টকা মুকলি কৰি দিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। অঞ্চলটোৰ পথ উন্নীতকৰণ আৰু দলং নিৰ্মাণৰ বাবে এই ধনৰাশি ব্যয় কৰা হ'ব। তেওঁ বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকো নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ আহ্বান জনায়। কালি কোকৰাঝাৰত আয়োজিত ২৪ সংখ্যক বড়োলেণ্ড দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তদুপৰি বি টি আৰৰ ১৫ হাজাৰ যুৱক-যুৱতীক আত্মনিৰ্ভৰ কৰাৰ বাবে ২ লাখকৈ টকা দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। চেন্নাইত বড়োলেণ্ড ভৱন স্থাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তদুপৰি বড়ো জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য আৰু চহকী পৰম্পৰাৰ প্ৰতীক বাগুৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় মঞ্চলৈ নিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়ে।

**ৰাইট**

মুখ্যমন্ত্ৰীয়ে অঞ্চলটোত বহনক্ষম উন্নয়ন কৰে। অনুষ্ঠানত দিয়া ভাষণত বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে ২০০৩ চনত বি টি চি চুক্তিৰ পাছত অঞ্চলটোত হোৱা ইতিবাচক পৰিৱৰ্তনৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয়, যে অঞ্চলটোত সকলো জনগোষ্ঠীৰ লোকৰ সম-উন্নয়ন আৰু বিকাশ পৰিলক্ষিত হৈছে। বি টি আৰৰ অন্যান্য জিলাকেইখনতো কালি ২৪ সংখ্যক বড়োলেণ্ড দিৱস উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০

অসমত চলি থকা উচ্ছেদ অভিযানৰ নায্যতা পৰীক্ষা কৰিবলৈ বিশেষ সমিতি গঠনৰ বাবে উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। উচ্ছেদিত লোকসকলে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি এছ নৰসিমহা আৰু ন্যায়াধীশ আলোক আৰাধেৰে গঠিত খণ্ড বিচাৰপীঠে কালি ৰাজ্য চৰকাৰক এই নিৰ্দেশ দিয়ে। ৰাজ্যৰ বন আৰু ৰাজহ বিভাগৰ বিষয়াসকলক লৈ এই সমিতি গঠন কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ

দিয়ে। ৰাজ্য চৰকাৰে সংৰক্ষিত বনাঞ্চলতহে উচ্ছেদ অভিযান চলাব পাৰিব বুলি ৰায়দানত স্পষ্টকৈ উল্লেখ কৰা হৈছে। উচ্ছেদ অভিযান সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ সংশোধন কৰি উচ্চতম ন্যায়ালয়ে প্ৰথমে বনাঞ্চল চিহ্নিত কৰা আৰু সীমা নিৰ্ধাৰণ কৰাৰ পাছতহে বনাঞ্চল উচ্ছেদ কৰিব পাৰিব বুলি নিৰ্দেশ দিয়ে। বন অধিকাৰ আইনৰ অধীনত বনাঞ্চলত থকা কোনো গাঁও পঞ্চায়তৰ অৱস্থানসমূহ আইনী নে বেআইনী এই সন্দৰ্ভত এই সমিতিয়ে পুংখানুপুংখভাৱে চালিজাৰি চোৱাৰ পাছতহে সিদ্ধান্ত ল'ব পাৰিব বুলি নিৰ্দেশ দিয়ে। উচ্ছেদ অভিযানৰ আগেয়ে এই সমিতিয়ে সংশ্লিষ্ট অঞ্চলৰ লোকসকলক জাননী দিয়াটো বাধ্যতামূলক কৰা হৈছে। উচ্ছেদ অভিযানৰ পূৰ্বে স্থানীয় প্ৰশাসনে অঞ্চলটো খালী কৰিবলৈ কমেও ১৫ দিনৰ সময়সীমা দিয়াটো বাঞ্চনীয় বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে নগাঁও, হোজাই আৰু গোলাঘাট জিলাৰ উৰিয়ামঘাট, নেঘেৰী বিল, উদমাৰী, যমুনা গাঁও, ধানচলা, ৰাঙলুবস্তি, ধনশিলা, বৰবিল আৰু গেলাজান আদি সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱা সন্দৰ্ভত ১৬ জানুৱাৰীত চূড়ান্ত শুনানি গ্ৰহণ কৰা হৈছিল। গুৱাহাটী উচ্চ ন্যায়ালৰ পৰা কোনো সকাহ নোপোৱাত এই লোকসকলে উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল।

**ৰাইট (অধিবক্তা)**

ইপিনে অসমৰ বনাঞ্চল আৰু ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ প্ৰকল্পত বাঘৰ সংখ্যা বৃদ্ধি পাইছে বুলি বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উল্লেখ কৰে। ৰাজ্য চৰকাৰে বনাঞ্চলৰ ভূমি উচ্ছেদ কৰাৰ পাছতে বন্যপ্ৰাণীসমূহে বিচৰণ চলাচল কৰিব পৰাকৈ বনভূমি বৃদ্ধি পাইছে, ফলত বন্যপ্ৰাণীসমূহৰ বংশ বৃদ্ধি আৰু সুৰক্ষাৰ দিশটোত ইতিবাচক প্ৰভাৱ পৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**ৰাইট (চন্দ্ৰমোহন পাটোৱাৰী)**

০০০০০০

অসম চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে বাছনি লাভ কৰা এহেজাৰ ৬৯৪ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ লগতে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ঠিকাভিত্তিক ১৮৫ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত লোকনিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত সৰ্বাধিক ৬৪২ গৰাকী, কৃষি উন্নয়ন বিষয়া পদত ১৯৩ গৰাকী, জলসম্পদ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত ১৪২ গৰাকী আৰু হস্ততাঁত বস্ত্ৰশিল্প তথা ৰেচম বিভাগত ৰেচম প্ৰদৰ্শক হিচাপে ১২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই নিযুক্তি পত্ৰ বিতৰণ কৰিব। অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, উৰ্খাও গৌড়া ব্ৰহ্মকে ধৰি কেইবাগৰাকীও মন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলক ADRE অৰ্থাৎ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে বাছনি কৰা হোৱা নাই।

০০০০০০

আজিৰে পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিছতে মুঠ ৪৮টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সূত্ৰই প্ৰকাশ কৰিছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা সমূহ পৰীক্ষাৰ্থীকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে শুভেচ্ছা জ্ঞাপন কৰিছে।

মাজুলী জিলাত এইবাৰ ৯টা পৰীক্ষা কেন্দ্ৰত মুঠ দুহেজাৰ ১৫০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহকমাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠান আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

ইপিনে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কালিৰে পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ ৪৩ গৰাকী জন ছাত্ৰ আৰু ২ লাখ ৪৮ হেজাৰ ৩২২ গৰাকী ছাত্ৰী সামৰি মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। কালি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব।

০০০০০০

এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ কালি অসমৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। এই অনুসৰি ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩ গৰাকী পুৰুষ ভোটদাতা আছে। ৰাজ্যখনত মহিলা ভোটদাতাৰ সংখ্যা হৈছে ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩। ইয়াৰ উপৰি ৰাজ্যখনত ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুযায়ী যোৱা ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ সমগ্ৰ ৰাজ্যতে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী সম্পন্ন কৰা হয় আৰু ২২ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীৰ ভিতৰত ভোটাৰ তালিকা সম্পৰ্কীয় দাবী আৰু আপত্তিসমূহ গ্ৰহণ কৰা হয়।

ৰাজ্যিক নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুযায়ী কালি প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো দাবী আৰু আপত্তি অহা ১৫ দিনৰ ভিতৰত সংশ্লিষ্ট জিলা দণ্ডাধীশৰ ওচৰত দাখিল কৰিব পৰা যাব। এই প্ৰক্ৰিয়াত সন্তুষ্ট নহ'লে যিকোনো আবেদন ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পৰা যাব। কালি ৰাজ্যখনৰ সকলো জিলা আয়ুক্তই সংশ্লিষ্ট জিলাসমূহৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। এই অনুসৰি দৰং জিলাৰ দলগাঁও বিধানসভা সমষ্টি ৩ লাখ ১৫ হাজাৰ ২৮৪ গৰাকী ভোটদাতাৰে সৰ্বাধিক ভোটদাতা থকা সমষ্টি হিচাপে পৰিগণিত হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে বিগত ১০ বছৰত উত্তৰ-পূব পৰিষদৰ আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলত কৃষি বনানিকৰণ আৰু বাঁহখণ্ডৰ সৈতে জড়িত ৪২ টা প্ৰকল্পৰ বাবে ২৩০ কোটি ৩১ লাখ টকাৰ পুঁজি আবণ্টন দিছে। কৃষি বনানিকৰণ আৰু বাঁহভিত্তিক অৰ্থনৈতিক গোটসমূহক শক্তিশালী কৰাৰ বাবে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত বিভিন্ন আঁচনি ৰূপায়ণ কৰা হৈছে। কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত এনে আঁচনিৰ অধীনত এনে আঁচনিৰ অধীনত পুলি বাগান স্থাপন কৰা হৈছে। কৃষি বনানিকৰণ প্ৰসাৰৰ বাবে চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ পৰা প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বিকাশ যোজনাৰ অধীনত ৰূপায়ণ কৰা কেন্দ্ৰীয় আঁচনিৰ অধীনত ৰাজ্যত এনে প্ৰকল্প ৰূপায়ণৰ বাবে বিগত দুটা বিত্তীয় বৰ্ষত ৪ কোটি ৫০ লাখ টকা আবণ্টন দিয়া হৈছে। এই ধনেৰে ৩৫ খন নতুন পুলি বাগান স্থাপন কৰা হৈছে। ড'নাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ২০২৫-২৬ বিত্তীয় বৰ্ষত এতিয়ালৈকে ৫ কোটি ২০ লাখ টকা মুকলি কৰা হৈছে আৰু ৫১ খন পুলি বাগান স্থাপন কৰা হৈছে। তদুপৰি অসম ৰাজ্যিক বাঁহ অভিযানে ২০১৯ চনৰ পৰা চলিত বছৰলৈকে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত এহেজাৰ ৫৮৫ হেক্টৰ ভূমি সামৰি বাঁহ ৰোপণৰ পদক্ষেপ লৈছে। বাঁহভিত্তিক উদ্যোগসমূহক আগবঢ়াই নিয়াৰ বাবে এনেধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। এই উদ্যোগসমূহৰ ভিতৰত ধূপকাঠি নিৰ্মাণ উদ্যোগত চাৰি শতাধিক যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপন লাভ কৰিছে বুলি উত্তৰ-পূব পৰিষদৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাত সংঘটিত কয়লা খনিত বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা শ্ৰমিক সংখ্যা ৩০ লৈ বৃদ্ধি পাইছে। যোৱা সোমবাৰে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত দুজন আহত শ্ৰমিকৰ মৃত্যু হয়। চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা এই শ্ৰমিক দুজন কাছাৰ জিলাৰ কাটিগড়াৰ ৰামচন্দ্ৰ বৈষ্ণৱ আৰু নিমাৰুদ্দিন বুলি জানিব পৰা গৈছে। ইফালে ঘটনাস্থলীৰ পৰা মৃতদেহ উদ্ধাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাত সোমবাৰৰ সন্ধিয়াৰ পৰা অভিযান বন্ধ কৰা হৈছে বুলি প্ৰশাসনে জানিবলৈ দিয়ে। ইপিনে মেঘালয়ত ব্যাপক হাৰত অবৈধ আৰু অসুৰক্ষিত কয়লা খনন চলি থকা বিষয়টো মেঘালয় উচ্চ ন্যায়ালয়ে গভীৰভাৱে উদ্বেগ প্ৰকাশ কৰিছে। মেঘালয় উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ ৰুজু কৰা জনস্বাৰ্থমূলক গোচৰ সন্দৰ্ভত মেঘালয় চৰকাৰক ১০ দিনৰ ভিতৰত বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে কয়লা খনন সঁজুলি, অবৈধ খননৰ বাবে গ্ৰেপ্তাৰ হোৱা লোক পূৰ্বে সংঘটিত এনে ধৰণৰ ঘটনাৰ বিশদ বিৱৰণো প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে। প্ৰয়োজনত মেঘালয়ৰ চৰকাৰৰ বিৰুদ্ধে স্বতন্ত্ৰ কেন্দ্ৰীয় সংস্থাৰ দ্বাৰা এই বিষয়ে তদন্ত কৰা হ'ব বুলিও ন্যায়ালয়ে সকীয়নি প্ৰদান কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানি অহা ১৯ ফেব্ৰুৱাৰীত গ্ৰহণ কৰা হ'ব।

০০০০০০

পুৰুষৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত দিনৰ ১১ বজাত হ'বলগীয়া গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকা আফগানিস্তাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত অষ্ট্ৰেলিয়া আয়াৰলেণ্ডৰ সন্মুখীন হ'ব। ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত হ'বলগীয়া গ্ৰুপ-চিৰ এখন খেলত ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

কলম্বোত কালি অনুষ্ঠিত এখন খেলত পাকিস্তানে আমেৰিকা যুক্তৰাষ্ট্ৰক ৩২ ৰানত পৰাস্ত কৰে। চেন্নাইত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক ১০ উইকেটত পৰাস্ত কৰে। আনহাতে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত নেডাৰলেণ্ডছে নামিবিয়াক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০

এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ কালি ৰাজ্যৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যত মুঠ ভোটদাতাৰ সংখ্যা ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। খচৰা ভোটাৰ তালিকাতকৈ চূড়ান্ত ভোটাৰ তালিকাত ২ লাখ ৪৩ হাজাৰ ভোটাৰ হ্ৰাস পোৱাৰ বাতৰি **দ্য টাইমছ অব ইণ্ডিয়া** আৰু **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে। বাতৰিটো আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

সদনত পক্ষপাতিত্বপূৰ্ণ আচৰণ কৰাৰ অভিযোগ উত্থাপন কৰি বিৰোধীয়ে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে কালি অনাস্থা প্ৰস্তাৱ দাখিল কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **আমাৰ অসম** কাকতে অধ্যক্ষৰ বিৰুদ্ধে ঐতিহাসিক অনাস্থা ইণ্ডিয়াৰ, তৃণমূল নাই শিৰোনামেৰে প্ৰকাশ কৰিছে।

ছিপাঝাৰৰ গৰুখুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ- পৰীক্ষা কেন্দ্ৰত কালি অসমীয়া বিষয়ৰ পৰীক্ষাত প্ৰশ্নকাকত খেলিমেলিৰ বাবে পলমকৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষ বাতৰিৰ স্থান দিছে। একেটা বাতৰিৰে **অসমীয়া খবৰ** কাকতৰ শিৰোনাম- বিতৰ্ক, খেলিমেলি নহ'লে কিহৰ মেট্ৰিক, গৰুখুটি কেন্দ্ৰত ১ ঘণ্টা ২০ মিনিট পলমকৈ অসমীয়াৰ পৰীক্ষা।

মিছা, বিদ্বেষপূৰ্ণ আৰু মানহানিকৰ অভিযোগ উত্থাপন কৰাৰ অভিযোগত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, অসমৰ দায়িত্বত থকা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ দুই নেতা জিতেন্দ্ৰ সিং আৰু ভূপেশ বাঘেলৰ বিৰুদ্ধে

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ৫০০ কোটি টকাৰ মানহানিৰ গোচৰ ৰুজু কৰে। এয়া **দৈনিক অসম আৰু নিয়মীয়া বাৰ্তা** কাকতৰ বাতৰি।

সমাগত ২-৩ বছৰৰ ভিতৰত বিটিচিত ৰাস্তা-ঘাট আৰু দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ১০০০ কোটি টকাৰ অনুদান আগবঢ়াব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণা **দ্য ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ...।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৪ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড০ অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**